স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ত্ৰয়োদশ বছৰ □ সংখ্যা ২০ □ শনিবাৰ □ ১০ চ'ত ১৯৪৪ শক □ ২৫ মাৰ্চ ২০২৩ চন □ VOL-13 □ NO-20 □ SATURDAY 25 MARCH 2023

## বেষ্ট গুৱাহাটী কলেজ অৱ এডুকেচনত কৰ্মশালা সম্পন্ন

মহানগৰ বাৰ্তা, ২৪ মাৰ্চ ঃ বেষ্ট গুৱাহাটী কলেজ অৱ এডুকেচনে (পাণ্ডু, টেম্পলঘাট) চিটিই-এক ইণ্ডিয়াৰ সহযোগিতাত মহাবিদ্যালয় প্ৰেক্ষাগৃহত 'প্ৰিপাৰেচন ফৰ নেক্সট জেনেৰেচন লাৰ্নাৰ্ছ ইন স্কুল' শীৰ্ষক ত্ৰিদিনীয়া কৰ্মশালাৰ আয়োজন কৰে। কৰ্মশালাত সমলব্যক্তি হিচাপে উপস্থিত থাকে তিলক কলেজ অৱ এডুকেচন, মহাৰাষ্ট্ৰৰ অধ্যাপক মাধুৰী ইছাকে আৰু নেগী মেঘালয়ৰ অধ্যাপক নিত্যানন্দ প্ৰধান। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰদীপ কুমাৰ জৈনে বন্তি প্ৰজ্বলন কৰি কৰ্মশালাখনৰ শুভাৰম্ভ কৰে। সভাপতি ইআৰডি, এনচিটিই আৰু চিটিই-এৰ আঞ্চলিক ৰাষ্ট্ৰীয় সচিব অধ্যাপক মীনিমা ভাগৱতীয়ে কৰ্মশালাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গীতাঞ্জলি চৌধুৰীয়ে উপস্থিতসকলক উদ্দেশি স্বাগত সম্ভাষণ জনায়। কৰ্মশালাখনৰ প্ৰথম দুদিন অধ্যাপক ইছাকে শিক্ষক সমাজত আইচিটিৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা, chat GPT, DallE2, Padlet আৰু Mentimeter.com আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ শিক্ষা পদ্ধতি সম্পৰ্কে বিস্তৃত আৰু সুন্দৰ আলোচনা আগবঢ়ায়। কৰ্মশালাত তৃতীয় দিনটোত অধ্যাপক প্ৰধানে অভিজ্ঞতামূলক শিকন আৰু বৃত্তিগত শিক্ষা সম্পৰ্কে তথ্যপূৰ্ণ আৰু জ্ঞানমূলক আলোচনা আগবঢ়ায়। কৰ্মশালাখনত মহাবিদ্যালয়খনৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক আদি কৰি কামৰূপ (মহানগৰ)ৰ চাৰিখনকৈ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ কেইবাজনো সহকাৰী অধ্যাপক আৰু অধ্যক্ষকে ধৰি শতাধিক ব্যক্তিয়ে ভাগ লয়।

Three Days Workshop On "Teacher Preparation for next Generation Learners in School Education" On 18th, 19th & 20th March, 2023